# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - -

১। বিত্তমন্ত্ৰী অজন্তা নেওগৰ কাইলৈ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ৰাজ্যিক সাধাৰণ বাজেট উত্থাপন।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম আৰক্ষীৰ নিচাযুক্ত দ্ৰব্যসহ কেইবাজনো সৰবৰাহকাৰীক গ্ৰেপ্তাৰ।

৩। অসম সাহিত্য সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম বৈঠকত তিনি তৰপীয়া ৰাজ্যভাষা প্ৰয়োগ কোষ গঠনত গুৰুত্ব আৰোপ। শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলীৰ ইংৰাজী আৰু হিন্দী ভাষান্তৰ প্ৰকাশৰ সিদ্ধান্ত।

৪। আইফা ডিজিটেল এৱাৰ্ডত অনুৰাগ শইকীয়ালৈ শ্ৰেষ্ঠ শীৰ্ষ সংগীতৰ সন্মান। **আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ফাইনেলত নিউজিলেণ্ডৰ ভাৰতক জয়ৰ বাবে ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

বিত্তমন্ত্ৰী অজন্তা নেওগে কাইলৈ বিধানসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। এইখনে হ'ব ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিত্তমন্ত্ৰী অজন্তা নেওগে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে চৰকাৰে এখন ভাল বাজেট উপস্থাপনৰ কাৰণে চেষ্টা কৰিছে। বাজেটত সামগ্ৰিকভাৱে ৰাজ্যৰ বিভিন্ন সমস্যাই স্থান পাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেটত বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যেৰে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব।

ooooo

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আজি নিচাযুক্ত দ্ৰব্যসহ কেইবাজনো সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। এটা গোপন সূত্ৰৰ পম খেদি অভিযান চলাই চতিয়া আৰক্ষীয়ে মাজবাটৰ পৰা বিশ্বনাথলৈ অবৈধভাৱে সৰবৰাহ কৰা বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। চতিয়াৰ নাগশংকৰৰ সন্মুখত ৰাজহুৱা পৰিবহণ ব্যৱস্থাৰে যাতায়াত কৰি থকা অৱস্থাত দুয়োগৰাকী সৰবৰাহকাৰীক আটক কৰা হয়।

গুৱাহাটীৰ দিছপুৰ আৰক্ষীয়ে চলোৱা এটা অভিযানত নিচাযুক্ত দ্ৰব্যসহ তিনিজন ড্ৰাগছ্ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। গোপন তথ্যৰ ভিত্তিত খানাপাৰা অঞ্চলত চলোৱা অভিযানত সৰবৰাহকাৰীকেইজনৰ পৰা এখন স্কুটী আৰু ৪টা মোবাইল ফোনো জব্দ কৰা হয়। দিছপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ পৰা তিনিওজন ব্যক্তিক জেৰা অব্যাহত ৰাখিছে।

ooooo

অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথমখন বৈঠক যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সভাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাত তিনি তৰপীয়া ৰাজ্যভাষা প্ৰয়োগ কোষ গঠন কৰাৰ বাবে চৰকাৰক পৰামৰ্শ দিবলৈ সিদ্ধান্ত লোৱা হয়। ইয়াৰ লগতে সভাই কেন্দ্ৰ, জিলা আৰু সমজিলা পৰ্যায়ত গঠিত কোষসমূহত প্ৰশাসনীয় ভাষা প্ৰয়োগ নিশ্চিতকৰণতো গুৰুত্ব আৰোপ কৰে। সভাৰ প্ৰকাশন বিভাগৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলীৰ ইংৰাজী আৰু হিন্দী সংস্কৰণ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰতিখন বিশ্ববিদ্যালয় আৰু মহাবিদ্যায়ত সাহিত্য সভাৰ গোট গঠন কৰি নৱপ্ৰজন্মক সাহিত্য সভামুখী কৰিবলৈও বৈঠকে সিদ্ধান্ত গ্ৰহণ কৰে। ডিমাপুৰ আৰু কোহিমাত অৱস্থিত সাহিত্য সভাৰ ভূমিত অসম ভৱন নিৰ্মাণ কৰিবলৈ ৰাজ্য চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হ'ব বুলিও আজিৰ বৈঠকত থিৰাং কৰা হয়। ইয়াৰ লগতে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ হ্ৰাস হোৱাৰ কাৰণ নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যেৰে বিদ্যায়তনিক পৰিষদ গঠন কৰিবলৈ সভাই চৰকাৰক আহ্বান জনায়।

ooooo

ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে গোৱালপাৰা জিলা প্ৰশাসনে যাৱতীয় নিৰ্বাচনী প্ৰস্তুতি আৰম্ভ কৰিছে। উল্লেখযোগ্য পৰিষদৰ ৩৬টা সমষ্টিৰ ভিতৰত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ জিলাত ১৬টা সমষ্টি আছে। এই আটাইকেইটা পৰিষদীয় সমষ্টিৰ নিৰ্বাচন অহা ২ এপ্ৰিলত অনুষ্ঠিত হ'ব। ইতিমধ্যে গোৱালপাৰা জিলা প্ৰশাসনে বিভিন্ন ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীসকলক নিয়োগ কৰি নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ কাম আৰম্ভ কৰিছে। কাইলৈৰ পৰা ১৫ মাৰ্চৰ বিয়লি ৩ বজালৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা ইচ্ছুক প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ লগতে দাখিল কৰিব পাৰিব। ১৭ মাৰ্চত মনোনয়ন পত্ৰ পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰিব। ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পৰা হ'ব। সেইদিনাই প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ২ এপ্ৰিলৰ নিৰ্বাচনৰ পাছত ৪ এপ্ৰিলৰ দিনা ভোট গণনা কৰি ফলাফল ঘোষণা কৰা হ'ব।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ১২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ প্ৰদান কৰে। ৰাজ্য চৰকাৰে স্বচ্ছ আৰু যোগ্য নিযুক্তিৰ দিশত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি নতুন প্ৰজন্মৰ মাজত আশাৰ বতৰা জগাইছে বুলি মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ সকলো সহকাৰী অধ্যাপকলৈ ভৱিষ্যত শিক্ষক জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

গোৱালপাৰাত অনুষ্ঠিত গাৰো সাহিত্য সভাৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে গাৰো ভাষা-সাহিত্য সামগ্ৰিক উন্নয়নৰ বাবে গাৰো সাহিত্য সভাই পালন কৰা ভূমিকাৰ শলাগ লয়। বৰ্তমান অষ্টম শ্ৰেণী প্ৰৱৰ্তিত গাৰো ভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ সামগ্ৰিক উন্নয়ন আৰু উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে বুলিও মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ইয়াৰ উপৰি গাৰো মাধ্যমৰ বাবে চৰকাৰে বিশেষ টেট পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰিছে বুলিও তেওঁ সামাজিক মাধ্যমযোগে অৱগত কৰিছে।

ooooo

সমাগত দৌল মহোৎসৱৰ বাবে ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰক কেন্দ্ৰ কৰি সমগ্ৰ বৰপেটাত ব্যাপক প্ৰস্তুতি চলিছে। অহা ১৩ মাৰ্চৰ সন্ধিয়াৰ পৰা আৰম্ভ হ'বলগীয়া এই মহোৎসৱ এইবেলি ৪ দিনীয়াকৈ অনুষ্ঠিত

হ'ব। এই উদ্দেশ্যে আজি জিলাখনত কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিশুসকলৰ মাজত প্ৰাকৃতিকভাৱে ৰং প্ৰস্তুতৰ বাবে এখন কৰ্মশালা আয়োজন কৰা হয়। সমল ব্যক্তিসকলে এই কৰ্মশালাত শিশুসকলক প্ৰশিক্ষণ প্ৰদান কৰে। বৰপেটাত সমাগত হোলী উৎসৱৰ প্ৰস্তুতিৰ বিষয়ে বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়।

**বাইট**

০০০০০

জয়পুৰত অনুষ্ঠিত ২০২৫ বৰ্ষৰ আইফা ডিজিটেল পুৰস্কাৰ প্ৰদান অনুষ্ঠানত অসমৰ অনুৰাগ শইকীয়াই শ্ৰেষ্ঠ শীৰ্ষ সংগীতৰ সন্মান লাভ কৰিছে। মিছমেটছড শীৰ্ষক ডিজিটেল ধাৰাবাহিকখনৰ তৃতীয় সংস্কৰণৰ **ইস্ক হে** শীৰ্ষক গীতটোৰ বাবে অসমীয়া সংগীত পৰিচালকজনলৈ এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে শ্ৰেষ্ঠ শীৰ্ষ সংগীত শিতানত শ্ৰীশইকীয়াই এৰ আৰ ৰহমান আৰু সঞ্জয় লীলা ভাঞ্চালীৰ দৰে যশস্বী সংগীত পৰিচালকক অতিক্ৰম কৰি এই সন্মান লাভ কৰিবলৈ সমৰ্থ হয়। কালিৰ অনুষ্ঠানত কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট উপস্থিত থাকে।

০০০০০

গোলাঘাটৰ সৰুপথাৰ সমজিলাৰ বৰপথাৰত দুদিনীয়াকৈ আয়োজন কৰা চাওতাল জনগোষ্ঠীসকলৰ বাহা সন্মিলনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। বৰপথাৰ চাওতাল সাংস্কৃতিক ঐক্য মঞ্চৰ উদ্যোগত অহা ১ আৰু ২ এপ্ৰিলত এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনত চাওতাল জনগোষ্ঠীৰ বিভিন্ন উপগোষ্ঠীৰ উপস্থিতিত পৰম্পৰাগত নৃত্য-গীত, চিত্ৰাংকন, সৃষ্টিশীল নৃত্য, সাহিত্য প্ৰতিযোগিতাৰ লগতে অন্যান্য বহুতো কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০

মুকাভিনয়ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে প্ৰকাশ হোৱা বহুভাষিক আন্তঃৰাষ্ট্ৰীয় মাইম জাৰ্নেল নিৰ্বাকৰ চতুৰ্থ সংস্কৰণ আজি উন্মোচন কৰা হয়। গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত এটা অনুষ্ঠানত প্ৰান্তিক আলোচনীৰ সম্পাদক প্ৰদীপ বৰুৱা, অসম চৰকাৰৰ পৰিবহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাস, কটন বিশ্ববিদ্যালয়ৰ গণ সংযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ছয়ানিকা দত্তই পত্ৰিকাখন উন্মোচন কৰে। প্ৰবীন সাংবাদিক প্ৰদীপ বৰুৱাই এই প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে নিৰ্বাকক সমাজৰ অসূয়া অপ্ৰীতি নাশ কৰাত আগভাগ লবলৈ আহ্বান জনায়। পৰিবহন বিভাগৰ বিষয়া গৌতম দাসে মুকাভিনয়েৰে পথ সুৰক্ষাৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ লগতে নিৰ্বাক পত্ৰিকাৰ শলাগ লয়। অধ্যাপিকা ড০ ছয়ানিকা দত্তই আলোচনীখনৰ উচ্চমানৰ প্ৰশংসা কৰি এই প্ৰচেষ্টা চলাই নিবলৈ আহ্বান জনায়।

০০০০০

বাক্সা জিলাৰ আখ্ৰাৰ তিনিআলিৰ পৰা বেতবাৰী হৈ টকুৰাকুছিলৈ মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলগীয়া এটা পকীপথৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি আধাৰশিলা স্থাপন কৰে। প্ৰায় ৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পথটোৱে আখ্ৰাৰ আৰু টকুৰাকুছিৰ মাজত যাতায়াত সুচল কৰি তুলিব বুলি অঞ্চলটোৰ ৰাইজে আশা প্ৰকাশ কৰিছে। মন্ত্ৰী শ্ৰীব্ৰহ্মাই পৰৱৰ্তী সময়ত ৰূপহীলৈকে পথটোৰ পকীকৰণৰ কাম হাতত লোৱা হ'ব বুলি অনুষ্ঠানটোত অৱগত কৰে। ইয়াৰ লগতে মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ কেইবাটাও উন্নয়নমূলক আঁচনিৰ বিষয়েও ৰাইজক অৱগত কৰে।

ooooo

বিশ্বনাথ জিলাৰ কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ প'ল'কটা টাপুত বন বিভাগে আজি এটা ৰয়েল বেংগল টাইগাৰৰ মৃতদেহ উদ্ধাৰ কৰে। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ ফেৰেংগাদাও কেম্পৰ বনকৰ্মীয়ে প্ৰথমে মৃত বাঘটো প্ৰত্যক্ষ কৰে আৰু পৰৱৰ্তী সময়ত পশু চিকিৎসকৰ দল উপস্থিত হৈ বাঘটোৰ মৰনোত্তৰ পৰীক্ষা সম্পন্ন কৰে। বাঘটোৰ মৰনোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছত এন টি চি এৰ গাইডলাইন অনুসৰি বন বিভাগে বাঘটোৰ মৃতদেহ দাহন কৰে। দুবছৰীয়া বাঘটো আন জন্তুৰ আক্ৰমনত আঘাতপ্ৰাপ্ত হৈ মৃত্যু হোৱা বুলি চিকিৎসকে সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে ফৰেনচিকৰ দলে পৰীক্ষা কৰাৰ পাছতহে বাঘটোৰ মৃত্যুৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব বুলি বিশ্বনাথৰ চেণ্ট্ৰেল ৰেঞ্জৰ বন বিষয়া নয়নজ্যোতি গগৈয়ে জানিবলৈ দিয়ে।

ooooo

বজালী জিলাৰ উজান উলুৱাস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীভোগেশ্বৰ মন্দিৰৰ বাকৰিত আজি উত্তৰ-পূৰ ভাৰত হৰিদেৱ সংঘৰ ৪৮ সংখ্যক দ্বিবাৰ্ষিক উলুৱা অধিবেশনৰ লাইখুটা স্থাপন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি নগেন চৌধুৰীয়ে লাইখুটা স্থাপন আৰু সভাপতি পুলিন চন্দ্ৰ গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰে। সমিতিৰ প্ৰধান সম্পাদক কৰুণাকান্ত তালুকদাৰে স্মৃতি তৰ্পন কৰাৰ লগতে বহৰি, পাটা, হাউলী, হৰিপুৰ, বেছকুছি সত্ৰকে ধৰি বজালী আৰু বৰপেটা জিলাৰ বিভিন্ন সত্ৰৰ পৰা অহা ভকতবৃন্দই অংশগ্ৰহণ কৰা এই অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক ৰবীন ডেকাই উদ্দেশ্য বাখ্যা কৰে। অহা ২১, ২২ আৰু ২৩ মাৰ্চত ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এই তিনিদিনীয়া অধিবেশন অনুষ্ঠিত হ'ব।

ooooo

কাচাৰ জিলা প্ৰশাসন আৰু সক্ষম সংস্থাৰ যৌথ উদ্যোগত আৰু ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনস্থ দিব্যাংগ সৱলীকৰণ বিভাগৰ সহযোগত আজি পাৰপল মেলা অনুষ্ঠিত হয়। বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰতিভা, দক্ষতা আৰু আত্মনিৰ্ভৰশীলতাৰ প্ৰকাশৰ বাবে এই মেলাই গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে বিবেচিত হৈছে। পাৰপল মেলা উপলক্ষে আজি পুৱাৰে পৰা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত বিভিন্ন অনুষ্ঠান আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানৰ লগতে ক্ৰীড়া প্ৰতিযোগিতাত বৰাক উপত্যকাৰ দিব্যাংগসকলে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। অনুষ্ঠানস্থলীত দিব্যাংগ ল'ৰা-ছোৱালীয়ে পৰিচালনা কৰা কেইবাখনো বিপনীও আছিল। প্ৰায় এশগৰাকী দিব্যাংগ শিশু, কিশোৰ কিশোৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে এই মেলাত অংশগ্ৰহণ কৰে। এই মেলাৰ উদ্দেশ্য হৈছে দিব্যাংগসকলৰ প্ৰতি সমাজত ইতিবাচক মনোভাৱ গঢ়ি তোলা আৰু তেওঁলোকৰ মনত আত্মবিশ্বাস বৃদ্ধি কৰা।

ooooo

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি নিউজিলেণ্ডে ভাৰতক জয়ৰ বাবে ২৫২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লৈ নিউজিলেণ্ডে নিৰ্ধাৰিত ৫০ অভাৰত ৭ টা উইকেট হেৰুৱাই ২৫১ ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ ডাৰেল মিচেলে সৰ্বাধিক ৬৩ ৰাণ সংগ্ৰহ কৰে।

ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তী আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট সংগ্ৰহ কৰাৰ লগতে মহম্মদ শ্বামী আৰু ৰবীন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে।

প্ৰত্যুত্তৰত আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৫ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৩১ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

ooooo

বেংগালুৰুত অনুষ্ঠিত ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ চেম্পিয়নশ্বিপত অসমে ৩৫টা সোণ, ৩১টা ৰূপ আৰু ২০টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ৩৫ ৰ পৰা ৮০ বছৰ বয়সৰ মুঠ ৯৪ জন খেলুৱৈয়ে অসমৰ হৈ প্ৰতিযোগিতাখনত ভাগ লৈছিল। বেংগালুৰুত ৪ মাৰ্চৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজি সামৰণি পৰে।

ooooo

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে আয়োজিত সদৌ অসম প্ৰাইজমানি মিডিয়া বেডমিণ্টন প্ৰতিযোগিতাৰ একক শাখাত বিকিৰণ সোণোৱালে বিজয়ীৰ সন্মান লাভ কৰে। নাহৰকটিয়া প্ৰেছ ক্লাবৰ বিকিৰণ সোণোৱালে ডিব্ৰুগড়ৰ স্বপ্নশ্ৰী গোস্বামীক ১৫-৯, ১৫-০৮ পইণ্টৰ পোনপটীয়া ছেটত পৰাজিত কৰি জয়লাভ কৰে। দ্বৈত শাখাত নাহৰকটিয়া প্ৰেছ ক্লাবৰ বিকিৰণ সোণোৱাল আৰু দিপাংকৰ কাকতিয়ে ডিব্ৰুগড়ৰ স্বপ্নশ্ৰী গোস্বামী আৰু সন্তোষ যাদৱক ১৫-৮, ১৫-১০ৰ পোনপটীয়া ছেটত পৰাজিত কৰি বিজয়ীৰ সন্মান লাভ কৰে। মহিলাৰ শাখাত নিউজ লাইভৰ ৰেচমা হায়দৰে এন ডি ২৪ৰ প্ৰিয়ংকা সেনাপতিক ১১-২, ১১-০৬ ত পোনপটীয়া ছেটত পৰাস্ত কৰি ছেম্পিয়নশ্বিপ অৰ্জন কৰে। আজি জিলা ক্ৰীড়া সন্থাৰ চৌকিদিঙিস্থিত ইনদোৰ ষ্টেডিয়ামত অনুষ্ঠিত পুৰস্কাৰ বিতৰণি অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি মানস জ্যোতি দত্তই সভাপতিত্ব কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নবাম টুকিৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ জীতেন হাজৰিকা, অইল ইণ্ডিয়া লিমিটেডৰ মাধুৰ্য্য বৰুৱা, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জয় কুমাৰ কাকতি আদি উপস্থিত থাকে। অনুষ্ঠানত স্বৰ্ণজ্যোতি শীৰ্ষক এখন স্মৰণিকা ডিব্ৰুগড় বিশ্ববিদ্যালযৰ উপাচাৰ্য্য ড০ জীতেন হাজৰিকাই উন্মোচন কৰে।

ooooo

গুৱাহাটীৰ সামাজিক, সাংস্কৃতিক অনুষ্ঠান- **সূৰ্যৰ** সভাপতি তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য বন সংৰক্ষক হেমকান্ত তালুকদাৰৰ যোৱা নিশা হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ৰ তেওঁৰ বয়স আছিল ৬৩ বছৰ। গুৱাহাটীৰ ৰাধাগোবিন্দা বৰুৱা পথ অঞ্চলৰ প্ৰগতি পথৰ বাসিন্দা প্ৰয়াত তালুকদাৰৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি গুণমুগ্ধৰ উপস্থিতিত নৱগ্ৰহ শ্মশানত সম্পন্ন হয়।

ooooo

বজালী জিলাৰ ১২৮ নম্বৰ বাঘমৰা গাঁও পঞ্চায়তৰ নিবাসী দিবাকৰ বড়োৰ কালি নিশা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬০ বছৰ। প্ৰয়াত বড়ো, বড়ো সাহিত্য সভাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। মানিকপুৰ প্ৰাথমিক বড়ো সাহিত্য সভাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰয়াত বড়ো বাঘমৰা আঞ্চলিক ছাত্ৰ সন্থাৰো প্ৰতিষ্ঠাপক ছাত্ৰনেতা আছিল। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সক্ৰিয় সহযোগী, সমাজকৰ্মীজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

ooooo

সমাপ্ত